## আমাৰ কাৰ্যনীতি

**প্ৰতিৰোধঃ**
ইতিবাচক মানসিক সু-স্বাস্থ্যক বাধা দিব পৰা ক্ষতিকাৰক প্ৰভাৱবোৰ প্ৰতিৰোধ কৰা।

**প্ৰস্তুতিকৰণঃ**
সহনশীলতা বৃদ্ধিৰ কাৰণে ব্যক্তিসকলক মানসিক - সামাজিক দক্ষতাৰ দ্বাৰা সাজু কৰি তোলা যাতে তেওঁলোক জীৱনলৈ অহা যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত হয়।

**অন্বেষণঃ**
সমাজৰ ভিতৰত নতুন নতুন সুযোগ আৰু ক্ৰিয়াকলাপ বিচাৰি উলিয়াই কল্যাণ সাধন কৰা।



## মাইণ্ড ইণ্ডিয়াৰ বিষয়ে

জীৱনটো হ'ল জয়ৰ উল্লাস আৰু ইয়াৰ উৎস হ'ল ইতিবাচক সু-স্বাস্থ্য।
সু-স্বাস্থ্যৰ অৰ্থ কেৱল ৰোগ বিহীনতাই নহ'য়। সু-স্বাস্থ্য হ'ল শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আৰু আধ্যাত্মিক ক্ষেত্ৰৰ এক ইতিবাচক অৱস্থা। মাইণ্ড ইণ্ডিয়াই "সকলোৰে বাবে ইতিবাচক মানসিক স্বাস্থ্য" নিশ্চিত কৰাৰ উদ্দেশ্যে, সমাজৰ সকলো স্তৰৰ লোকৰ হিতৰ বাবে ইতিবাচক মানসিক সু-স্বাস্থ্য আৰু কল্যাণৰ সেৱাত উৎসৰ্গিত এদল বৃত্তিধাৰী লোকক লগত লৈ ২০০৬ চনৰ ২০ জানুৱাৰী দিনাখন এক অভিযানৰ পাতনি মেলিছিল।



"স্ব-আৱিষ্কাৰৰ পথত চৰ্তবিহীন গ্ৰহনযোগ্যতা যে এক বুজাবুজি, তাক প্ৰতিজন ব্যক্তিয়ে উপলব্ধি কৰাতো উচিত বুলি মই বিশ্বাস কৰোঁ"

- ডঃ সঙ্গীতা গোস্বামী,
প্ৰেচিডেণ্ট, মাইণ্ড ইণ্ডিয়া



## অভিযানৰ বিবৃতিঃ

মাইণ্ড ইণ্ডিয়া ৱে'লনেচ চেণ্টাৰে একে ঠাইতে সম্পূৰ্ণভাবে সকলো সা-সুবিধাসহ বহুমুখী মানসিক স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে মনস্থ কৰি আগবাঢ়িছে। মানুহে জীৱনত পোৱা শাৰীৰিক, আবেগিক, সামাজিক, মানসিক আৰু আধ্যাত্মিক দিশৰ অভিজ্ঞতাৰ প্ৰতিটো ইতিবাচক দিশ সম্বোধন কৰিবৰ বাবে এই চেণ্টাৰটোৱে এক স্থান সৃষ্টি কৰাত সহায় কৰিব। এই চেণ্টাৰৰ মুখ্য উদ্দেশ্য হ'ল, ব্যক্তিগত পৰ্য্যায়ত সহনশীলতা বৃদ্ধি কৰি প্ৰতিটো বয়সৰ ব্যক্তিৰ কাৰণে গুণগত জীৱন বৃদ্ধি কৰাত সহায় কৰা যাতে সামুহিক পৰ্য্যায়ত ইতিবাচক জীৱন ধাৰণৰ মান বৰ্তি থাকে।





## আমাৰ যোগাযোগৰ ঠিকনা


**MIND INDIA**
Institute of Positive Mental Health & Research
187, Mani Ram Dewan Road, Chandmari,
Guwahati – 781 003.
Assam, India

0361-26667269
+91 83999 24410
+91 70020 96829
+91 88760 43151
+91 98640 67594


অধিক তথ্যৰ বাবে চাব পাৰে:
www.mindindia.org

https://www.facebook.com/mindindiaassam
follow us on instagram at mindindia_

## আমাৰ দ্বাৰা আগবঢ়োৱা সেৱাসমূহঃ

### কাউন্সেলিং বা পৰামৰ্শদান আৰু থেৰাপিউটিক ব্যৱস্থা

- ব্যক্তি, দল, যুৱ-সম্প্ৰদায়ক পৰামৰ্শদান
- পৰিয়াল আৰু বিবাহ সম্বন্ধীয় পৰামৰ্শদান
- কেৰিয়াৰ সম্বন্ধীয় বিশ্লেষণ আৰু পৰামৰ্শদান
- বোধশক্তি পুনৰ ঘুৰাই অনাৰ বাবে পৰামৰ্শদান

### মনোৰোগ সম্পৰ্কীয় মুল্যায়ন

- মনোৰোগ সম্পৰ্কীয় বিশ্লেষণ আৰু তাৰ বিহিত পদক্ষেপ
- মনস্তাত্ত্বিক বিশ্লেষণ
- সুৰা আৰু মাদক দ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত কৰণ কাৰ্যসুচী
- অৰেল চাবষ্টিটিউশ্বন থেৰাপি
- বয়সস্থ লোকৰ বাবে ডিমেনচিয়া ৰোগৰ পৰীক্ষা আৰু ৰোগ মুক্তিৰ বাবে ব্যৱস্থা

### শিশু আৰু কিশোৰ-কিশোৰীসকলৰ বাবে মানসিক স্বাস্থ্য সেৱাসমুহ

- আই কিউ পৰীক্ষা
- শিকন অক্ষমতা, এ ডি এইচ ডি, অ'টিজিম শিশুৰ বাবে প্ৰতিবিধানমূলক কাৰ্যসুচী
- বিশেষ শিক্ষা
- বাক শক্তি আৰু ভাষাৰ বিকাশৰ চিকিৎসামুলক ব্যৱস্থা
- আচাৰ-ব্যৱহাৰ সম্পৰ্কীয় চিকিৎসা ব্যৱস্থা
- পেচাগত থেৰাপি
- অভিব্যক্তিমুলক শিল্প থেৰাপি

### বিকল্প নিৰাময় সেৱাসমুহ

- ফিজিঅ'থেৰাপি
- যোগ অনুশীলন
- মননশীলতা ধ্যান অনুশীলন
- আয়ুৰ্বেদ
- আকুপ্ৰেচাৰ
- হোমিঅ'পেথি

MIND India

# মাইণ্ড ইণ্ডিয়া ৱে'লনেচ চেণ্টাৰ



"ইতিবাচক পৰিৱৰ্তনৰ পথ বাছি ল'বলৈ" জনসাধাৰণক সক্ষম কৰক